**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-06-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

লোকসভা নিৰ্বাচনৰ ফলাফলৰ পাছতেই এন ডি এ আৰু আই এন ডি আই মিত্ৰজোঁটৰ চৰকাৰ গঠনক লৈ জল্পনা-কল্পনা অব্যাহত আছে। এই সন্দৰ্ভত আলোচনাৰ বাবে এন ডি এৰ মিত্ৰদলসমূহৰ এখন গুৰুত্বপূৰ্ণ বৈঠক নতুন দিল্লীৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাসগৃহত অব্যাহত আছে। এই বৈঠকত বিজেপিৰ লগতে মিত্ৰ দলসমূহৰ শীৰ্ষ নেতাসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত তৃতীয় বাৰৰ বাবে চৰকাৰ গঠনৰ পৰিকল্পনা কৰিছে। বৈঠকত তেলেগু দেশম পাৰ্টীৰ মুৰব্বী এন চন্দ্ৰবাবু নাইডু, জনতা দল ইউনাইটেডৰ মুৰব্বী আৰু বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে লোক জনশক্তি দল ৰাম বিলাস গোটৰ মুৰব্বী চিৰাগ পাছোৱান আৰু অন্যান্য মিত্ৰদলৰ নেতাসকলৰ লগতে বিজেপিৰ শীৰ্ষ নেতাসকলে অংশ লৈছে। ইপিনে, আজি সন্ধিয়া আই এন ডি আই মিত্ৰজোঁটৰ নেতাসকল নতুন দিল্লীত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত উপস্থিত হৈছে। তেওঁলোকেও নতুন চৰকাৰ গঠনৰ কৌশলসমূহ সন্দৰ্ভত আলোচনাত মিলিত হ'ব।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে লোকসভা নিৰ্বাচনত অসমৰ ৯ খন আসন দখল কৰাৰ বাবে বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই অসমবাসীক ধন্যবাদ জ্ঞাপন কৰে। বাজপেয়ী ভৱনত আজি অনুষ্ঠিত এখন সংবাদমেলত বিজেপিৰ ৰাজ্যিক সভাপতি শ্ৰীকলিতাই লগতে মিত্ৰজোঁটৰ আন ৰাজনৈতিক দলকো ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে কয় যে, ২০২৬ চনত বিধানসভা নিৰ্বাচনত বিজেপিয়ে ১০০ প্লাছৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচন সন্দৰ্ভত কেন্দ্ৰত চৰকাৰ গঠনৰ পাছতে আলোচনা কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

ইপিনে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই নিৰ্বাচনী ফলাফলৰ পাছতে ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। আশা কৰা অনুযায়ী আসন লাভ নকৰিলেও এই নিৰ্বাচনত কংগ্ৰেছৰ নৈতিক জয় হোৱা বুলি শ্ৰীবৰাই প্ৰকাশ কৰে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিক প্ৰতিহত কৰিবৰ বাবে আঞ্চলিক দলসমূহক বিৰোধী ঐক্য মঞ্চত যোগ দিবলৈ তেওঁ লগতে আহ্বান জনায়।

যোৰহাট লোকসভা সমষ্টিৰ নৱ-নিৰ্বাচিত সাংসদ গৌৰৱ গগৈয়ে আজি মাজুলীবাসী আৰু দলীয় নেতা-কৰ্মীক ধন্যবাদ জনায়। মাজুলীৰ ৰাজীৱ ভৱনত জিলা কংগ্ৰেছ আৰু যুব-কংগ্ৰেছৰ বিষয়ববীয়াৰ পৰা সম্বৰ্ধনা গ্ৰহণ কৰি মাজুলীৰ পৰাই ২০২৬ত দিছপুৰ দখলৰ প্ৰণ গ্ৰহণ কৰা হ'ব বুলি শ্ৰীগগৈয়ে প্ৰকাশ কৰে। তেওঁ লগতে মাজুলীৰ বিজেপি বিধায়ক ভূবন গামক সমালোচনা কৰে।

০০০০০০০০

চলিত মাহটো ৰাজ্যখনত মেলেৰিয়া প্ৰতিৰোধী মাহ হিচাপে পালন কৰা হৈছে। এই উপলক্ষে শোণিতপুৰ জিলা স্বাস্থ্য বিভাগে জিলাখনত সজাগতাৰ কাৰ্যসূচী লোৱাৰ লগতে ৪৯ হাজাৰ ৪৮৪টা তেজৰ নমুনা সংগ্ৰহ কৰিছে। গোৱালপাৰা জিলাতো এখন সজাগতা সভাৰ জৰিয়তে আনুষ্ঠানিকভাৱে মেলেৰিয়া প্ৰতিৰোধী মাহৰ শুভাৰম্ভ কৰা হয়। জিলা যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ জয়ন্ত কুমাৰে দাসে মেলেৰিয়া প্ৰতিৰোধী মাহৰ শুভাৰম্ভ কৰে। এই মাহটোত মেলেৰীয়াৰ প্ৰাৰ্দুভাৱ হোৱাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ আশা কৰ্মীৰ লগতে স্বাস্থ্যকৰ্মীসকলক যাৱতীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে।

০০০০০০০০০

দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো আজি বিশ্ব পৰিৱেশ দিৱস বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰা হয়। বিগত বৰ্ষৰ দৰে এইবাৰো বিশ্ব পৰিৱেশ দিৱস উপলক্ষে চৰকাৰী আৰু বেচৰকাৰী সংস্থাসমূহে গছপুলি ৰোপণৰ লগতে আন বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰে। ইলোৰা বিজ্ঞান মঞ্চই জিলা আৰু ৰাজ্যিক ভিত্তিত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান প্ৰদৰ্শনীৰ লগতে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মঙলদৈ টাউন হাইস্কুলত এটা পৰিৱেশ সজাগতা অনুষ্ঠানৰ আয়োজন কৰে। এই উপলক্ষে বক্তৃতানুষ্ঠানৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰচনা লিখা, পোষ্টাৰ অংকন আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

ইপিনে গোৱালপাৰা, তামুলপুৰ, বৰপেটা, যোৰহাট, তিনিচুকীয়া, শিৱসাগৰ কোকৰাঝাৰ, মৰিগাঁও, কামৰূপ মহানগৰ, দৰং, বাক্সা আদি বিভিন্ন জিলাত বিশ্ব পৰিবেশ দিৱস উদযাপন কৰা হয়। যোৰহাট আৰক্ষীয়ে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে জিলাখনৰ বিভিন্ন আৰক্ষী থানা আৰু চকীত গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰে। জিলা আৰক্ষী অধীক্ষক শ্বেৰেটাং মিশ্ৰই যোৰহাট সদৰ থানাৰ চৌহদত গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। জিলাখনৰ মৰিয়নি, তিতাবৰ, টীয়ক আৰক্ষী চকীত গছপুলি ৰোপণ কৰা হয়। তিনিচুকীয়াৰ অসামৰিক প্ৰতিৰক্ষা বিভাগে সূৰ্যোদয় মুক্ত শিশুগৃহৰ সহযোগত দিৱসৰ লগত সংগতি ৰাখি শিশুগৃহৰ চৌহদত গছপুলি ৰোপণ কৰে।

আনহাতে, শিৱসাগৰ জিলাতো বিভিন্ন কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। শিৱসাগৰৰ বন সংমণ্ডল প্ৰাধিকৰণৰ উদ্যোগত দিৱস উপলক্ষে সজাগতামূলক চাইকেল ৰেলী উলিওৱা হয়। শিৱসাগৰ বন বিভাগে দিৱসৰ লগত সংগতি ৰাখি যোৱা ২৫ মে'ৰ পৰা জিলাখনৰ বিভিন্ন প্ৰান্তত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে।

উল্লেখযোগ্য যে এইবাৰৰ বিশ্ব পৰিৱেশ দিৱসৰ বিষয়বস্তু হৈছে 'ভূমিৰ পুনৰুদ্ধাৰ কৰা, মৰুময়তা ৰোধ কৰা আৰু খৰাং সহনশীলতা গঢ়ি তোলা'। প্ৰকৃতি সুৰক্ষাৰ ক্ষেত্ৰত এই দিৱসে বিশ্বজুৰি যথেষ্ট তাৎপৰ্য বহন কৰি আহিছে।

০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৱেষ্ট ইণ্ডিজত যৌথভাৱে অনুষ্ঠিত টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে আজি আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলি নিজৰ অভিযান আৰম্ভ কৰিব। খেলখন নিউয়ৰ্কৰ নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব।

০০০০০০০০

**সমাপ্ত**